জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৫৮/২০২২**

# জনতাৰ মাজলৈ বিকাশৰ ভাগীৰথী যাত্ৰাক বহ্নিমান গতিৰে লৈ যাবলৈ কাৰ্যসূচী গ্ৰহণ ঃ মুখ্যমন্ত্ৰী

## তামুলপুৰ জিলাত বিভিন্ন প্ৰকল্পৰ আধাৰশিলা, শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## কালা, পাগলাদিয়া, মটঙা, বাল্টি নদীৰ ওপৰত পকী দলঙৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## তামুলপুৰ জিলাৰ কচুবাৰীস্থিত প্ৰস্তাৱিত নতুন চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ ভূমিপূজন কৰি নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ৯ টা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ, আদৰ্শ বিদ্যালয় শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## তামুলপুৰক এখন পূৰ্ণাংগ জিলা হিচাপে সকলো বিভাগৰ জিলা কাৰ্যালয় স্থাপন কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

## তামুলপুৰত নতুনকৈ ৬ হাজাৰ পৰিয়ালক অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৭ ডিচেম্বৰ ঃ** অসমৰ উন্নয়নৰ যাত্ৰা এক সংগঠিত ৰূপত আগবঢ়াই নিয়াৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা 'বিকাশৰ বাবে এটা পযেক' কাৰ্যসূচীৰ অংশ হিচাপে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তামুলপুৰত বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে শুভ উদ্বোধন কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কুমাৰীকাটা নয়াবস্তি পথৰ উন্নীতকৰণৰ লগতে কুমাৰীকাটা নয়াবস্তি পথত থকা কালা নদীৰ ওপৰত আৰু পাগলাদিয়া নদীৰ ওপৰত অসম চৰকাৰৰ এছ অ' পি ডিৰ অধীনত ২৪৭.৮৭ কোটি টকা ব্যয়সাপেক্ষে প্ৰস্তাৱিত নতুন পকী দলঙৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে

কুমাৰীকাটা নয়াবস্তি পথটি বাক্সা জিলা আৰু নৱগঠিত তামুলপুৰ জিলাৰ মাজত তুলনামূলকভাৱে কম সময়ৰ ভিতৰত যোগাযোগ আৰু যাতায়াত স্থাপনৰ বাবে গুৰুত্বপূৰ্ণ মাধ্যম। পথটিৰ সৰ্বমুঠ দৈৰ্ঘ্য প্ৰায় ১১.২৩৬ কিঃ মিঃ। তদুপৰি, বানপানীৰ সময়ত পাগলাদিয়া নদীৰ দুয়োপাৰে যাতায়াতৰ ব্যৱস্থা অচল হৈ পৰে, যাৰ ফলত দুয়োখন জিলাৰ দুয়োপাৰৰ ৰাইজে বহু কষ্ট ভোগ কৰি অন্য পথেৰে দীৰ্ঘ দূৰত্ব অতিক্ৰম কৰি গন্তব্য স্থান পাব লগা হয়। দলং নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ লগে লগে দুয়োখন জিলাৰ পথ পৰিবহণৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা হ'ব আৰু উন্নত যাতায়াত তথা যোগাযোগৰ মাধ্যমেৰে শিক্ষা, কৃষি, বিজ্ঞান-প্ৰযুক্তিবিদ্যা আৰু স্বচ্ছল অৰ্থনীতি, সমাজ নীতিৰে জনসাধাৰণৰ জীৱনৰ মানদণ্ড উন্নীত হ'ব।

আনহাতে, মুখ্যমন্ত্ৰীয়ে কুমাৰীকাটা-কাউলী-গুৱাবাৰী পথত মটঙা নদীৰ ওপৰত দুখন, বাল্টি নদীৰ ওপৰত এখন আৰু দক্ষিণ কুমাৰীকাটা-নাগ্ৰীজুলী পথত মটঙা নদীৰ ওপৰত এখন পকী দলঙৰো আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন উপলক্ষে আয়োজিত সভাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাইজৰ অভাৱ উপলব্ধি কৰি নাগ্ৰিজুলীত দলংখন নিৰ্মাণৰ বাবে আধাৰশিলা স্থাপন কৰা হৈছে। তেওঁ কয় যে সৰ্বমুঠ প্ৰায় ১২ কিঃমিঃ দৈৰ্ঘ্যৰ কুমাৰীকাটা-কাউলী-গুৱাবাৰী পথটি হৈছে সমগ্ৰ অঞ্চলটোৰ বাবে এক গুৰুত্বপূৰ্ণ যোগাযোগৰ আৰু যাতায়াতৰ মাধ্যম। শৈক্ষিক অনুষ্ঠান-প্ৰতিষ্ঠান, কৃষিৰ লগত জড়িত ক্ষেত্ৰ, স্বাস্থ্য আৰু ব্যৱসায় প্ৰতিষ্ঠান আদি ৰাস্তাৰ দুয়োদিশে বিদ্যমান। তেওঁ কয় যে যাতায়াতৰ সূচল ব্যৱস্থা নথকা হেতুকে অঞ্চলটোৰ ৰাইজে দৈনন্দিন জীৱনৰ ন্যূনতম সা-সুবিধাখিনি লাভ কৰাৰ ক্ষেত্ৰত জীয়াতু ভুগি আহিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই পথ সংযোগী দলং নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ লগে লগে এই পথৰ লগত জড়িত জিলাখনৰ কেইবাখনো গাঁও ক্ৰমে কুমাৰীকাটা, চাহেব টুপা, মেজগুৰি, পুখুৰীপাৰ, কাউলী, চন্দনপুৰ, নাৰায়ণপুৰ, হৰিণচৰা, ২নং বগৰীখুটী, বিমলানগৰ, ১নং দঙাৰগাঁও, গয়বাৰী আদিৰ ৰাইজ উপকৃত হ'ব। তেওঁ লগতে কয় যে দক্ষিণ কুমাৰীকাটা নাগ্ৰীজুলী সংযোগী পথত নিৰ্মাণ হ'ব লগা দলঙখনৰ জৰিয়তে দক্ষিণ কুমাৰীকাটা, বটিয়ামাৰি, বাটাবাৰী, লতিবাৰী, চিঙৰামাৰি, পাকৰিবাৰী, ডৈমাবাৰী, কুছুমজুলি, চাহপুৰ, বাল্টিপুৰ, নাগ্ৰীজুলী আদিৰ ৰাইজ উপকৃত হ'ব।

মুখ্যমন্ত্ৰীগৰাকীয়ে তামুলপুৰ জিলাৰ কচুবাৰীস্থিত প্ৰস্তাৱিত নতুন চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ ভূমিপূজন অনুষ্ঠানত উপস্থিত থাকে। উল্লেখ্য যে তামুলপুৰ জিলাৰ কচুবাৰীস্থিত প্ৰস্তাৱিত নতুন চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ বাবে ৰূপায়ণ কৰা প্ৰকল্পৰ জৰিয়তে তামুলপুৰ জিলাৰ স্বাস্থ্য খণ্ডলৈ এক সুদূৰ প্ৰসাৰী পৰিৱৰ্তনৰ সূচনা কৰিব। প্ৰায় ৫৮৬ কোটি টকা ব্যয় সাপেক্ষে এই চিকিৎসা মহাবিদ্যালয়খন নিৰ্মাণৰ পদক্ষেপ লোৱা হৈছে। এই প্ৰস্তাৱিত নতুন চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়খনৰ নিৰ্মাণে তামুলপুৰ জিলাবাসীক স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়াবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে কয়।

কচুগাঁৱত অনুষ্ঠিত এক সভাত মুখ্যমন্ত্ৰীয়ে অসম চৰকাৰৰ 'সোণালী শৈশৱ বিকশিত অসম' আঁচনিৰ অধীনত নিৰ্মিত হোৱা ৯ টা আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ ভাৰ্চুৱেলী শুভ উদ্বোধন কৰে। আনহাতে মুখ্যমন্ত্ৰীয়ে তামুলপুৰ আৰু নাগ্ৰীজুলিস্থিত আদৰ্শ বিদ্যালয়ো ভাৰ্চুৱেলী শুভ উদ্বোধন কৰে।

এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে 'বিকাশৰ বাবে এটা পথেক' কাৰ্যসূচীৰ জৰিয়তে ৫ ডিচেম্বৰৰ পৰা ১৯ ডিচেম্বৰলৈ অসমৰ জনতাৰ মাজলৈ 'বিকাশৰ ভাগীৰথী যাত্ৰাক' বহ্নিমান গতিৰে লৈ যাবলৈ আমাৰ চৰকাৰে এক অভিলাষী কাৰ্যসূচী গ্ৰহণ কৰিছে। সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে তামুলপুৰক এখন পূৰ্ণাংগ জিলা হিচাপে সকলো বিভাগৰ জিলা কাৰ্যালয় স্থাপন কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উদাৰ আৰ্থিক সাহাৰ্য আৰু  কেন্দ্ৰীয় গৃহমন্ত্ৰীঅমিত শ্বাহৰ সহযোগিতা আৰু অসমবাসীৰ সহযোগিতাৰ বাবে আজি অসম তথা বিটিআৰত বিকাশৰ গংগা বৈছে । তেওঁ লগতে কয় যে  তামুলপুৰত নতুনকৈ ৬ হাজাৰ পৰিয়ালক অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰা হ'ব । প্ৰতিমাহে ১২৫০ টকাকৈ ইয়াৰ ধনৰাশি প্ৰদান কৰা হ'ব । ৭ হাজাৰ পৰিয়ালক বিনামূলীয়া ৰেচন কাৰ্ড যোগান ধৰাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই আধাৰশিলা আৰু ভূমি পূজন অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, হস্ততাঁত, বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্ত, বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী তথা বিধায়ক গোবিন্দ বসুমতাৰী, বিধায়ক জলেন দৈমাৰী, বিধায়ক ভূপেন বড়ো, বিটিচি বিধান পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়ো, বিটিচিৰ প্ৰধান সচিব অনুৰাগ গোৱেল, বিটিচিৰ কাৰ্যবাহী সদস্য-সদস্যসকলৰ লগতে অসম চৰকাৰৰ উচ্চ পদস্থ বিষয়াবৰ্গ প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**হেঃশঃ**
**০৭/১২/২০২২**